জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩১/২০২০

# ৰাজ্যৰ ১১ খন বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ সৈতে অডিঅ’ কনফাৰেন্সযোগে কথা পাতিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## দুৰ্যোগে সুযোগো আনে, বিপদে সম্পদৰো সন্ধান দিয়ে ঃ মুখ্যমন্ত্ৰী

- **প্ৰতিকূল সময়তো অসমৰ শৈক্ষিক দিশটো যাতে থমকি নৰয়, তাৰ বাবে ভৱিষ্যতৰ ৰূপ-ৰেখা প্ৰস্তুতিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ পৰা বিভিন্ন দিহা-পৰামৰ্শ গ্ৰহণ**

- **সামাজিক দূৰত্বৰ চৰ্ত উলংঘা নকৰাকৈ শ্ৰেণীসমূহৰ পাঠদান কেনেকৈ আৰম্ভ কৰিব পৰা যায় তাৰ বাবে উপযুক্ত ব্যৱস্থা উদ্ভাৱনৰ ক্ষেত্ৰত আগভাগ ল’বলৈ অধ্যাপকসকলৰ প্ৰতি আহ্বান**

**দিছপুৰ, ০৩ মে’ ঃ** ‘দুৰ্যোগে সুযোগো আনে, বিপদে সম্পদৰো সন্ধান দিয়ে। ক’ভিড-১৯ সৃষ্ট এই সংকটকো আমি নতুন অসম গঢ়াৰ জন্মবেদনা বুলি ইতিবাচক দৃষ্টিৰে গ্ৰহণ কৰিব লাগিব।’ ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহৰ অধ্যাপক আৰু সহযোগী অধ্যাপকসকলৰ সৈতে অডিঅ’ কনফাৰেন্সযোগে মত বিনিময় কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এইদৰে কয়।

শিক্ষাগুৰুসকলক মানুহ গঢ়া খনিকৰ আৰু সমাজৰ বৌদ্ধিক পথ প্ৰদৰ্শক বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিকোনো দুৰ্যোগৰ মূহুৰ্তত সমাধানৰ উপায় বিচাৰি সমাজে শিক্ষাগুৰুসকলৰ দিক্ নিৰ্দেশনাৰ বাবে বাট চাই ৰয়। অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনলৈ ক’ভিড-১৯ৰূপী এই গোলকীয় মহাব্যাধিয়ে কঢ়িয়াই অনা অচলাৱস্থা দূৰীকৰণৰ বাবে সুপৰিকল্পিত কৰ্ম আঁচনি হাতত লোৱাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ সুচিন্তিত দিহা-পৰামৰ্শ কামনা কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যৰ অৰ্থনীতিক ন-ৰূপ প্ৰদানেৰে এক আত্মনিৰ্ভৰশীল অসম গঢ়াৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা হ্ৰস্বম্যাদী, দীৰ্ঘম্যাদী আৰু বহনক্ষম দিহা-পৰামৰ্শ তথা উদ্ভাৱনীমূলক ধাৰণাসমূহ অনাগত দিনত চৰকাৰৰ পাঠেয়ৰূপে পৰিগণিত হ’ব।

ৰাজ্যখনত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লক্‌ডাউন সফল কৰি তোলাত বিশ্ববিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ সমাজে আগবঢ়োৱা সহযোগিতাৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰি এই সহযোগিতা তৃতীয় পৰ্যায়ৰ লক্‌ডাউনৰ সময়ছোৱাতো অব্যাহত ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। সমাজত অধ্যাপক-অধ্যাপিকাসকলৰ এক বিশেষ স্থান আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমাজে তেওঁলোকৰ কথা সদায়ে বিশেষ গুৰুত্বৰে লয়। ক’ভিড-১৯ৰ বিৰুদ্ধে এই যুঁজখনত জনসাধাৰণক স্বাস্থ্যবিষয়ক নীতি-নিৰ্দেশনাসমূহৰ বিষয়ে সজাগ আৰু সচেতন কৰাৰ ক্ষেত্ৰতো সেয়েহে তেওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। জনসাধাৰণৰ মাজত সামাজিক দূৰত্ব ৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু অনাময়ৰ গুৰুত্ব তথা স্বাস্থ্য সজাগতাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ অধ্যাপকসকলৰ প্ৰতি আহ্বান জনায়।

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই অভাৱনীয় পৰিস্থিতিত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াও বৃহৎভাৱে ক্ষতিগ্ৰস্ত হৈছে। এনে পৰিস্থিতিত শিক্ষাগুৰুসকলৰ সন্মুখত গধুৰ দায়িত্ব আহি পৰিছে। শিক্ষাদান প্ৰক্ৰিয়া বাধাপ্ৰাপ্ত নোহোৱাকৈ প্ৰযুক্তিৰ ব্যৱহাৰেৰে পাঠদানৰ বিকল্প ব্যৱস্থাসমূহৰ ব্যাপকভাৱে সহায় ল'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বহু শিক্ষানুষ্ঠানে ইতিমধ্যে ডিজিটেল বা ভাৰ্চুৱেল ক্লাছৰুমৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে যদিও আমাৰ গ্ৰামাঞ্চলৰ বহু এলেকাত এতিয়াও ইণ্টাৰনেটৰ সংযোগ উপলব্ধ নহয়। সেইদৰে, দুখীয়া পৰিয়ালৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰী বা অভিভাৱকৰ হাতত ডিজিটেল ব্যৱস্থাৰ সহায় ল'ব পৰাকৈ এটা স্মাৰ্টফোনো নাই। এইসকল ছাত্ৰ-ছাত্ৰীৰ কথা মনত ৰাখি, সামাজিক দূৰত্বৰ চৰ্ত উলংঘা নকৰাকৈ শ্ৰেণীসমূহৰ পাঠদান কেনেকৈ আৰম্ভ কৰিব পৰা যায় তাৰ বাবে এক উপযুক্ত ব্যৱস্থা উদ্ভাৱনৰ  ক্ষেত্ৰত আগভাগ ল'বলৈ মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ প্ৰতি আহ্বান জনায়।

এই জটিল পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল অটুট ৰখাৰ বাবেও শিক্ষাগুৰুসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি উল্লেখ কৰি টেলিফোনযোগে বা সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত সঘন সম্পৰ্ক ৰাখি তেওঁলোকৰ খা-খবৰ লোৱাৰ লগতে আৱশ্যকীয় দিহা-পৰামৰ্শ প্ৰদান কৰি থাকিবলৈও মুখ্যমন্ত্ৰীয়ে শিক্ষাগুৰুসকললৈ আহ্বান জনায়।

বৰ্তমানৰ প্ৰতিকূল সময়তো অসমৰ শৈক্ষিক দিশটো যাতে থমকি নৰয়, তাৰ বাবে ভৱিষ্যতৰ ৰূপ-ৰেখা প্ৰস্তুতিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ পৰা মুখ্যমন্ত্ৰীয়ে বিভিন্ন দিহা-পৰামৰ্শ গ্ৰহণ কৰে। এই বিষয়ে অধিক ক'ব লগা থাকিলে সেয়া লিখিত ৰূপত ই-মেইলৰ জৰিয়তে প্ৰেৰণ কৰিবলৈও তেওঁ অধ্যাপকসকলক আহ্বান জনায়। লক্‌ডাউনৰ মাজতো ছাত্ৰ-ছাত্ৰীসকলে কিদৰে অনলাইন মাধ্যমৰ জৰিয়তে অধ্যয়ন অব্যাহত ৰাখিছে সেই বিষয়ে অধ্যাপকসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে। ৰাজ্যখনত ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সময়োপযোগী পদক্ষেপৰ বাবে অধ্যাপকসকলে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে আৰু ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলক এই ক্ষেত্ৰত সজাগ-সচেতন কৰাৰ ক্ষেত্ৰত পৰৱৰ্তী দিনসমূহতো 'টীম অসম'ৰ মানসিকতাৰে চৰকাৰলৈ সহায়-সহযোগ আগবঢ়াই যাব বুলি তেওঁলোকে মুখ্যমন্ত্ৰীগৰাকীক অৱগত কৰে।

উল্লেখযোগ্য যে আজিৰ অ'ডিঅ' কনফাৰেন্সত ৰাজ্যৰ ১১ খন বিশ্ববিদ্যালয়ৰ ২৬৪৫ গৰাকীকৈ অধ্যাপক আৰু সহযোগী অধ্যাপকে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**০৩/০৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in